**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ পৰিষদীয় নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ৩৩ টা সমষ্টিত মুঠ ৯৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নিৰ্বাচন হ'বলগীয়া দুখন জিলা কামৰূপ আৰু গোৱালপাৰাৰ ৩৬টা সমষ্টিৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। ইয়াৰে তিনিগৰাকী প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ কামৰূপ জিলাৰ ২৭ নম্বৰ পৰিষদীয় সমষ্টিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থী সুমিত ৰাভাই সহস্ৰাধিক সমৰ্থকক লগত লৈ বকো ডাকোৱাপাৰাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, ৰমাকান্ত ৰাভা আৰু আদিত্য ৰাভাইও আজি নিজ নিজ পৰিষদীয় সমষ্টিত প্ৰচাৰ আৰম্ভ কৰিছে। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ পাণ্টান সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মনোজ ৰাভা দক্ষিণ পাণ্টান পৰিষদৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জিমবাৰ্থ মাৰাক, উত্তৰ বনগাঁৱৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী দুৰ্গেশ্বৰ বড়ো আৰু বামুণী গাঁৱৰ জ্যোতিষ ঠাকুৰীয়াইও নিজ নিজ সমষ্টিত প্ৰচাৰ চলায়। ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০

অসম বিধানসভাত আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিজেপিৰ ৰাজ্যসভাৰ সাংসদ সুধাংশু ত্ৰিবেদীয়ে কালি ৰাজ্যসভাত ধুবুৰী জিলাক বাংলাদেশৰ অংশ বুলি কৰা মন্তব্যৰ বিৰোধিতা কৰি সাংসদগৰাকীৰ বিৰুদ্ধে এটা ভৰ্ৎসনা প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিচাৰে। সদনৰ শূন্য কালত বিষয়টো উত্থাপন কৰি বিৰোধী দলপতি শইকীয়াই কয়, যে ধুবুৰী জিলাৰ পৰা ভালেসংখ্যক স্বাধীনতা সংগ্ৰামীয়ে দেশৰ হকে স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিছিল আৰু সাংসদগৰাকীৰ এনে মন্তব্যই সমগ্ৰ ধুবুৰীবাসীৰ লগতে অসমবাসীকো অপমানিত কৰিছে। যদি কোনো বাংলাদেশী নাগৰিক জিলাখনত আছে তেওঁলোকক চিনাক্ত কৰি বহিস্কাৰ কৰাটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব বুলি শইকীয়াই মন্তব্য কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে দেৱব্ৰত শইকীয়াৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি কয়, যে এই বিষয়টো পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব। বিৰোধী দলপতিগৰাকীয়ে ইয়াৰ পাছত সমগ্ৰ ৰাজ্যজুৰি কালি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অনুদান পত্ৰ প্ৰদান অনুষ্ঠানলৈ বটদ্ৰৱাৰ বিধায়ক শিৰামণি বৰাক আমন্ত্ৰণ নকৰাৰ বাবে সদনত চৰকাৰৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ তোলে। এই বিষয়টোলৈ সদনত বহু সময় ধৰি শাসক-বিৰোধীৰ মাজত তৰ্ক-বিতৰ্কও হয়। বিধায়ক শ্বেৰমান আলীয়ে বিধানসভাৰ অধিৱেশন চলি থকাৰ সময়ত বৰপেটাৰ জিলা আয়ুক্তই জিলাখনত বৈঠক অনুষ্ঠিত কৰাক লৈ জিলা আয়ুক্তগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ কৰি এই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা হ'ব নে নাই বুলি প্ৰশ্ন উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই বিষয়টোও পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰে।

ইপিনে জলসিঞ্চন বিভাগ আৰু নলা-নৰ্দমাত জমা হোৱা পানী তথা জাবৰ নিষ্কাষণৰ বাবে ব্যৱহাৰ কৰা ছুপাৰ ছাকাৰ বাহন ক্ৰয়ৰ ক্ষেত্ৰত অনিয়ম হোৱাৰ অভিযোগ তুলি বিৰোধীপক্ষই সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ অনুমতি বিচাৰে। কিন্তু অধ্যক্ষই এই প্ৰস্তাৱ নাকচ কৰাত বিৰোধী পক্ষৰ সদস্যসকলে এই বিষয়ত এখন সদন কমিটি গঠন কৰিবলৈ দাবী জনায়। কংগ্ৰেছ, এ আই উই ডি এফ, চি পি এম আৰু ৰাইজৰ দলে সদন কমিটি গঠনৰ বিষয়টোৰ প্ৰতি সমৰ্থন জনায়। কিন্তু অধ্যক্ষই এই বিষয়টো অমান্তি হোৱাত বিৰোধী পক্ষৰ সদস্যসকলে হাতে হাতে প্লে কাৰ্ড লৈ সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্না দিবলৈ ধৰে। বিৰোধী সদস্যসকলে বহু সময় ধৰি প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ঘোষণা কৰে।

০০০০০০০

তামুলপুৰ জিলাৰ অময়াপুৰ তৰুণ সংঘৰ বাকৰিত আজি ড° ভৱেন্দ্ৰনাথ হাজৰিকা আৰু পুষ্পা হাজৰিকা স্মাৰক ন্যাসৰ উদ্যোগত তথা অময়াপুৰ তৰুণ সংঘৰ সহযোগত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু কৰ্কট ৰোগৰ সজাগতা শিবিৰ অনুষ্ঠিত হয়। বিটিচিৰ দৰঙাজুলি পৰিষদীয় সমষ্টিৰ পাৰিষদ বিজিত গৌড়া নাৰ্জাৰীয়ে স্বাস্থ্য শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শিশু ৰোগ বিশেষজ্ঞা ডাঃ আকাশী হাজৰিকা শিবিৰত উপস্থিত থাকি কৰ্কট ৰোগ কেনেকৈ হ'ব পাৰে আৰু এই ৰোগ নিৰ্মূল কেনেকৈ কৰিব পাৰি সেই বিষয়ে বক্তব্য আগবঢ়ায়। অময়াপুৰ গাঁৱৰ শতাধিক লোকক এই শিবিৰত স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়।

০০০০০০০

**সমাপ্ত**